# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 29-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

### *HEADLINES*

- - - - - - - - - - - - - -

১।	চাহ বাগিছা অঞ্চলৰ জনসাধাৰণৰ সামূহিক প্ৰচেষ্টাৰ ফলত যোৰহাটৰ চাহ বাগিছাসমূহত মেলেৰিয়া ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বিষয়ে মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২।	অসম সাহিত্য সভাৰ সপ্তম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাত ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ ভোটগণনা অব্যাহত।

৩।	গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিনা কেইবাটাও মনোজ্ঞ অনুষ্ঠান সম্পন্ন।

৪।	ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনভোজস্থলীসমূহত আজি বনভোজ দলৰ ব্যাপক সমাগম।

**আৰু**

৫।	মেলবৰ্ণ টেষ্টৰ আজি চতুৰ্থ দিনা অষ্ট্ৰেলিয়াৰ ভাৰতৰ বিৰুদ্ধে নিজৰ দ্বিতীয় ইনিংছত ৯টা উইকেট হেৰুৱাই ২২৮ ৰান সংগ্ৰহ কৰি ৩৩৩ ৰাণৰ অগ্ৰগতি।

ooooo

চাহ বাগিছা অঞ্চলৰ জনসাধাৰণে গ্ৰহণ কৰা সামূহিক প্ৰচেষ্টাৰ ফলত যোৰহাটৰ চাহ বাগিছাসমূহত এসময়ত দুঃশ্চিন্তাৰ কাৰণ হৈ পৰা মেলেৰিয়া ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত সফলতা লাভ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। প্ৰধানমন্ত্ৰীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি এইকথা প্ৰকাশ কৰে। এই প্ৰসংগত শ্ৰীমোদীয়ে কয়, যে স্বাস্থ্য খণ্ডত ভাৰতে লাভ কৰা দুটা সাফল্যই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁ কয়, যে বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ২০১৫ ৰ পৰা ২০২৩ চনৰ ভিতৰত মেলেৰিয়াত হোৱা মৃত্যুৰ সংখ্যা ৮০ শতাংশ হ্ৰাস হৈছে আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে। মেলেৰিয়া নিয়ন্ত্ৰণত সামাজিক মাধ্যমৰ বহুল প্ৰয়োগৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে কয়, যে আকাশবাণীয়েও মেলেৰিয়া সন্দৰ্ভত নিয়মীয়াকৈ বাৰ্তা প্ৰচাৰত গুৰুত্ব দি আহিছে। তেওঁ কয়, যে পূৰ্বে কৰ্কট ৰোগৰ চিকিৎসাৰ ব্যয় অধিক হোৱা বাবে বহু ৰোগী চিকিৎসাৰ বাবে আগবাঢ়ি আহিব নোৱাৰিছিল, কিন্তু আয়ুষ্মান ভাৰত যোজনাৰ ফলত এতিয়া এয়া সহজ হৈ উঠিছে।

মন কী বাতৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে দেশৰ সংবিধানৰ গৌৰৱময় যাত্ৰাৰ বিষয়ে উল্লেখ কৰে। অহা বছৰৰ ২৬ জানুৱাৰীত দেশত সংবিধান কাৰ্যকৰী হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব। নিজৰ বক্তব্যত শ্ৰীমোদীয়ে সংবিধানক দেশবাসীৰ পথ প্ৰদৰ্শক বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে এনিমেশ্বন চিনেমা, নিয়মীয়া চিনেমা, টিভি চিৰিয়েল আদিৰ জনপ্ৰিয়তাৰ প্ৰসংগ উল্লেখ কৰি কয়, যে এই সৃষ্টিশীল উদ্যোগটোৱে দেশৰ প্ৰগতিত ভূমিকা গ্ৰহণ কৰাৰ লগতে দেশৰ অৰ্থনীতিকো আগুৱাই নিছে। চিনেমা আৰু মনোৰঞ্জন উদ্যোগে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ধাৰণাক শক্তিশালী কৰি তুলিছে বুলিও তেওঁ উল্লেখ কৰে। ২০২৪ বৰ্ষত জন্ম শতবাৰ্ষিকী উদযাপন কৰা চলচ্চিত্ৰ ক্ষেত্ৰৰ কেইবাগৰাকী ব্যক্তিক তেওঁ স্মৰণ কৰে। ভাৰতৰ সৃজনীশীল প্ৰতিভাক বিশ্বৰ মঞ্চত তুলি ধৰাৰ বাবে আসন্ন নৱবৰ্ষত দেশত প্ৰথমবাৰৰ বাবে বিশ্ব দৃশ্য -শ্ৰব্য মনোৰঞ্জন শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছে। তেওঁ মনোৰঞ্জন উদ্যোগৰ সৈতে জড়িত সকলোকে এই সন্মিলন সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনায়। মন কী বাতত প্ৰধানমন্ত্ৰীয়ে তিনিখন দেশ ক্ৰমে ইজিপ্ত, পাৰাগুৱে আৰু ফিজিত ভাৰতীয় ভাষা সংস্কৃতিৰ প্ৰসাৰৰ বিষয়েও উল্লেখ কৰে। শীতকালত দেশজুৰি চলি থকা ক্ৰীড়া আৰু শাৰিৰীক সুস্থতা বিষয়ক বিভিন্ন কাৰ্যসূচী প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশৰ বাষ্টাৰ অঞ্চলত নতুন অলিম্পিক সমাৰোহ আৰম্ভ হৈছে। এসময়ত মাওবাদী সকলৰ হিংসাৰে জৰ্জৰিত এই অঞ্চলটোত এই সমাৰোহৰ আয়োজনক দেশলৈ অহা পৰিৱৰ্তন আৰু যুৱ প্ৰজন্মৰ উদ্দীপনাৰ প্ৰতীক হিচাপে তেওঁ অভিহিত কৰে।

ooooo

অসম সাহিত্য সভাৰ সপ্তম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাত ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ ভোটগণনা অব্যাহত আছে। বৰ্তমান সভাৰ সভাপতি আৰু উপ-সভাপতি পদৰ বাবে ভোটগণনা চলি আছে। শেহতীয়া খবৰ অনুসৰি ভোটগণনাত সভাপতি পদত ড০ বসন্ত কুমাৰ গোস্বামী আৰু উপ-সভাপতি পদত পদুম ৰাজখোৱা আগবাঢ়ি আছে। উল্লেখযোগ্য যে আভ্যন্তৰণী বিষয়ক কেন্দ্ৰ কৰি ভোটগণনাৰ পূৰ্বে কাৰ্যনিৰ্বাহক সভাত অপ্ৰীতিকৰ পৰিৱেশৰ উদ্ভৱ হয়। প্ৰধান সম্পাদক পদৰ প্ৰাৰ্থী অজিৎ প্ৰসাদ শৰ্মা আৰু কাৰ্যনিৰ্বাহক সদস্য সুশীল চন্দ্ৰ ডেকাৰ মাজত বাকবিতণ্ডাৰ সৃষ্টি হয়। ফলশ্ৰুতিত কিছুসময়ৰ বাবে ভোটগণনা পিছুৱাই দিয়া হয়।

ooooo

স্বনামধন্য কবি, শিশু সাহিত্যিক, ঔপন্যাসিক নৱকান্ত বৰুৱাৰ ওপজা দিনটো আজি কবিতাৰ দিন হিচাপে পালন কৰা হৈছে। অসমীয়া আধুনিক কবিতাৰ নৱজাগৰণৰ বাহকৰূপে সন্মানিত বৰুৱাৰ কবিতাসমূহৰ ভাৱ আৰু ভাষাই সাম্প্ৰতিক সময়তো জনমানসক আলোড়িত কৰে।

**কবিতা (১)**

আধুনিক অসমীয়া কবিতাক অনন্য মাত্ৰা প্ৰদান কৰি যোৱা কবিগৰাকীৰ কবিতাসমূহত জীৱনৰ অনুপম সৌন্দৰ্য, মৃত্যু ৰহস্য আৰু প্ৰেমৰ অনন্য ৰূপ প্ৰতিভাত হৈছে।

**কবিতা (২)**

হেৰ অৰণ্য, হে মহানগৰ, ৰত্নাকৰ, এটি দুটি এঘাৰটি তৰাকে ধৰি কেইবাখনো কাব্য সংকলন ৰচনা কৰা বৰুৱাৰ ককাদেউতাৰ হাড় উপন্যাসখনে ১৯৭৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে। ১৯৯৩ চনত অসম

উপত্যকা সাহিত্য বঁটা, ১৯৯৮ চনত কমল কুমাৰী বঁটাৰ লগতে ১৯৭৬ চনত পদ্মভূষণ সন্মানেৰে তেওঁ সন্মানিত হৈছিল। কেইবাখনো মননশীল প্ৰবন্ধ সংকলন, অনুবাদ সাহিত্য, নাটক আৰু বিশেষকৈ শিশু মনস্তত্ব উপলব্ধি কৰি লিখা শিশু ৰচনাসমূহে সাহিত্যিকগৰাকীৰ অসমীয়া সাহিত্যলৈ বহুমুখী অৱদানকে প্ৰতিফলিত কৰে। আজি কবিতাৰ দিন উপলক্ষে সাহিত্যিকগৰাকীৰ স্মৃতিত গুণমুগ্ধসকলে শ্ৰদ্ধা তৰ্পন কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে নৱকান্ত বৰুৱাৰ মননশীল সৃষ্টিৰাজিয়ে অসমীয়া ভাষা সাহিত্যৰ উৎকৰ্ষ সাধনৰ লগতে পঢ়ুৱৈ সমাজৰ মনত সাঁচ বহুৱাই গৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাহিত্যিকগৰাকীৰ সৃষ্টিসমূহ মানৱতাবাদী আদৰ্শৰ উজ্জ্বল স্বাক্ষৰ বুলি অভিহিত কৰে।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিনাও কেইবাটাও মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। আজি বিয়লি গ্ৰন্থমেলাথলীত ভিন্ন সাহিত্য ধাৰাৰ গ্ৰন্থ পঠনৰ আনন্দ শীৰ্ষক আলোচনাচক্ৰ সম্পন্ন হয়। আলোচনাত অংশ লৈ বিশিষ্ট সাহিত্যিক-সমালোচক ড০ আনন্দ বৰমুদৈয়ে কয় যে সাহিত্যৰ পৰিমণ্ডল ন-ন ৰূপেৰে প্ৰচসাৰিত হোৱা হেতুকে অধ্যয়নৰ বাবে গ্ৰন্থ নিৰ্বাচন কৰাটো পাঠকৰ গুৰুদায়িত্ব। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ বিভাস চৌধুৰী আৰু ড- প্ৰাঞ্জল শৰ্মা বশিষ্ট, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ সত্যকাম বৰঠাকুৰ আৰু কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ প্ৰশান্ত চক্ৰৱৰ্ত্তীৰ লগতে কেইবাগৰাকীও আলোচকে অংশগ্ৰহণ কৰে। বিয়লি অনুষ্ঠিত গল্পৰ আবেলি শীৰ্ষক অনুষ্ঠান বিশিষ্ট কথাশিল্পী তথা সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে উদ্বোধন কৰে। গল্পকাৰ, ঔপন্যাসিক গিতালী বৰাই আঁত ধৰা এই অনুষ্ঠানত ফুল গোস্বামী, মণিকা দেৱী, বিপাশা বৰা, মনস্বিনী মহন্তৰ লগতে কেইবাগৰাকীও গল্পকাৰে অংশগ্ৰহণ কৰে। আজি গ্ৰন্থমেলাৰ অন্যান্য কৰ্যসূচীৰ লগতে উপেন্দ্ৰনাথ শৰ্মা সোঁৱৰণী সভাগৃহত হৃদয়মুখী বৰ্ণমালা নামৰ অনুগল্প গোটৰ উদ্যোগত আৰু চন্দ্ৰ প্ৰকাশৰ সহযোগত আয়োজিত সদৌ অসম ভিত্তিত অনুগল্প প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত প্ৰথম পুৰস্কাৰ কিৰণ দত্ত সোঁৱৰণী, দ্বিতীয় পুৰস্কাৰ স্বৰ্গীয় বিজয় চন্দ্ৰ বৰঠাকুৰ সোঁৱৰণী আৰু তৃতীয় পুৰস্কাৰৰূপে স্বৰ্গীয় মৃগেন্দ্ৰ নাথ কলিতা সোঁৱৰণী নগদ ধনৰ পুৰস্কাৰো আছে। এই অনুষ্ঠানত বিশিষ্ট লেখক-চিকিৎসক-গায়ক ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়েও অংশগ্ৰহণ কৰে।

আজি বছৰৰ শেষৰটো দেওবাৰ হোৱা হেতুকে গ্ৰন্থমেলাথলীত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনভোজস্থলীসমূহত আজি বনভোজ দলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। আজি বছৰটোৰ অন্তিমটো দেওবাৰ হোৱা হেতুকে ৰাজ্যৰ বিভিন্ন বনভোজস্থলী আৰু পৰ্যটনস্থানসমূহত আনন্দৰে দিনটো অতিবাহিত কৰিবলৈ বহুলোকে ভিৰ কৰে। গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ কেইবাটাও অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশত আত্মীয়, বন্ধু-বান্ধৱৰ সৈতে ভালেসংখ্যক লোকে বনভোজৰ আনন্দ উপভোগ কৰে। নুনমাটিৰ চূণশালী, বশিষ্ঠ, টেঘেৰীয়া, ৰাণী, দীপৰবিল, চন্দ্ৰপুৰৰ উপৰি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ

বনভোজস্থলীসমূহত আজি বহু লোক সমবেত হয়। মৰিগাঁৱৰ পবিতৰা, চনকা, নগাঁৱৰ আকাশীগংগা, শিৱসাগৰৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ লগতে দিচাংমুখতো আজি বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজ দলসমূহে নৈসৰ্গিক পৰিৱেশত দিনটো অতিবাহিত কৰে। একেদৰে নামেৰী, কাজিৰঙা, চানডুবি, ওৰাং ৰাষ্ট্ৰীয় উদ্যানকে ধৰি বিভিন্ন স্থানসমূহতো জনসাধাৰণে ভিৰ কৰে। অসম ৰাজ্যিক চিৰিয়াখানাতো আজি পুৱাৰে দৰ্শনাৰ্থীৰ বাবে বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়।

গোৱালপাৰা জিলাৰ উৰপদ বিলৰ পাৰতো বনভোজ দল আৰু পৰ্যটকে ভিৰ কৰা পৰিলক্ষিত হয়। বিলখনলৈ বিদেশী পৰিভ্ৰমী চৰাইৰ আগমন ঘটাৰ লগে লগে পৰ্যটকৰ সংখ্যাও বৃদ্ধি হৈছে। বিলখনৰ নৈসৰ্গিক শোভা উপভোগ কৰি পৰ্যটকসকল আপ্লুত হয়। শ্ৰীসূৰ্য পাহাৰতো বছৰৰ শেষৰটো দেওবাৰ উপলক্ষে বনভোজ দলৰ আগমন ঘটে। মানস ৰাষ্ট্ৰীয় উদ্যানতো আজি দেশী-বিদেশী পৰ্যটকৰ ভিৰ পৰিলক্ষিত হয়। পৰ্যটকসকলে জীপ ছাফাৰীৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰে।

ooooo

ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিছে। ষষ্ঠ অনুসূচীৰ এলেকা আৰু পৌৰ নিগমৰ এলেকাসমূহক বাদ দি এই তালিকা প্ৰকাশ কৰা হৈছে। ২৭ খন জিলাত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ মুঠ ভোটদাতাৰ সংখ্যা এক কোটি ৮০ লাখ ১৪ হাজাৰ ৯১৩। ইয়াৰে ৯০ লাখ ৬০ হাজাৰ ৬৪০ জন পুৰুষ আৰু ৮৯ লাখ ৫৩ হাজাৰ ৮৬৫ গৰাকী মহিলা ভোটদাতা। লগতে ৪০৮ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটদাতাসকলে ৩৫৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, ২ হাজাৰ ১৯২ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৯২০টা ৱাৰ্ডৰ বাবে ভোটদান কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়, জিলা পৰিষদ, গাঁও পঞ্চায়ত অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ ভোটদাতাসকলে ভোটদাতাৰ তালিকাত নাম পৰীক্ষা কৰিব পাৰিব। ইয়াৰ লগতে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইটযোগেও ভোটদাতাৰ তালিকাত নিজৰ নাম চাব পাৰিব। চূড়ান্ত ভোটদাতাৰ তালিকাত ফটোযুক্ত পৰিচয় পত্ৰৰ নম্বৰ প্ৰদান কৰিও নিজৰ নাম পৰীক্ষা কৰিব পাৰিব।

ooooo

কেন্দ্ৰীয় চৰকাৰে আৰ্থিকভাৱে অনগ্ৰসৰ সকলৰ বাবে দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী আৱাস যোজনা-চহৰাঞ্চল মুকলি কৰিছে। ইয়াৰ অধীনত ৰাজ্য চৰকাৰে এক কোটি নতুন ঘৰৰ অনলাইন পঞ্জীয়ন আৰম্ভ কৰিছে। যোগ্য লোকে অনলাইনযোগে আবেদন কৰি এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। ইচ্ছুক লোকসকলক সংশ্লিষ্ট পৌৰসভা অথবা উন্নয়ন প্ৰাধিকৰণৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ কালাপানী সমবায় সমিতিৰ ২০২৪-২৫ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ আজি ভোটগ্ৰহণ কৰা হয়। এই নিৰ্বাচনত ১৩টা পদৰ বাবে ২৪গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচন প্ৰক্ৰিয়াত দুহেজাৰ ৯০৫গৰাকী অংশীদাৰ ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰে। সমবায় সমিতিৰ ভোটগ্ৰহণৰ পূৰ্বে অংশীদাৰসকলক লৈ এখন সাধাৰণ সভা অনুষ্ঠিত হয়।

০০০০০

চিৰাং জিলাৰ বিজনী মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে কোচ-ৰাজবংশী ভাষা বন্দনা সমাৰোহ অনুষ্ঠিত হয়। কোচ-ৰাজবংশী ভাষা অধ্যয়ন গৱেষণা আৰু উন্নয়ন সমিতিৰ সচিব মঞ্জু বৰুৱাৰ পৌৰহিত্যত এই অনুষ্ঠান অনুষ্ঠিত হয়। সমাৰোহত কোচ-ৰাজবংশী ভাষা ব্যাকৰণ শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত কেইবাখনো জিলাৰ বিভিন্ন অঞ্চলৰ দুই শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০

গোলাঘাট জিলাৰ ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তিনিদিনীয়া কাৰ্যসূচীৰে হীৰক জয়ন্তী উদযাপন কৰা হয়। হীৰক জয়ন্তীৰ অন্তিম দিনৰ বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধনী অনুষ্ঠানত আজি মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। শিক্ষানুষ্ঠানখনে পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখি অনাগত দিনতো শৈক্ষিক বিপ্লৱ সৃষ্টিৰে অঞ্চলটোলৈ সমৃদ্ধি কঢ়িয়াই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাত শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০

মেলবৰ্ণ টেষ্টৰ আজি চতুৰ্থ দিনা অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে নিজৰ দ্বিতীয় ইনিংছত ৯টা উইকেট হেৰুৱাই ২২৮ ৰান সংগ্ৰহ কৰি ৩৩৩ ৰাণৰ অগ্ৰগতি লাভ কৰিছে। চতুৰ্থ দিনৰ খেলৰ অন্তত অষ্ট্ৰেলিয়াৰ নেথন লয়নে ৪১ আৰু স্কট বলাণ্ডে ১০ ৰাণ কৰি অপৰাজিত হৈ থাকে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৪টা আৰু মহম্মদ চিৰাজে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৯১ ৰাণতে ছটাকৈ উইকেট হেৰুওৱা অষ্ট্ৰেলিয়াই মাৰ্কাছ লাবুশ্বানেৰ ৭০ আৰু অধিনায়ক পেট কামিনছৰ ৪১ ৰাণৰ সহায়ত সন্তোষজনক স্থিতিত উপনীত হয়। কাইলৈ খেলৰ পঞ্চম তথা অন্তিম দিন।

০০০০০

মৰিগাঁও জিলাত তিনিদিনীয়াকৈ অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ ৪৬ সংখ্যক জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপৰ আজি সামৰণি পৰে। ৰাজ্যৰ এহেজাৰ ৩০০ৰো অধিক এথলীটে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত ডিব্ৰুগড় জিলাই শ্ৰেষ্ঠ দল, অসম পুলিচে দ্বিতীয় শ্ৰেষ্ঠ দল আৰু শিৱসাগৰ জিলাই তৃতীয় শ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰে। সামৰণি অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা, মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানতে অসম এথলেটিকছ্ সন্থাই ২০২৫ বৰ্ষৰ ৪৭ সংখ্যক আন্তঃজিলা এথলেটিকছ্ প্ৰতিযোগিতা ধেমাজি জিলাত আয়োজন কৰা হ'ব বুলি ঘোষণা কৰাৰ লগতে জিলাখনৰ বিষয়ববীয়াৰ হাতত সন্থাৰ পতাকা অৰ্পণ কৰে।

০০০০০

জামছেদপুৰ এফ চি এ আজি জামছেদপুৰত হ'বলগীয়া আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে হায়দৰাবাদ এফ চি আৰু ইষ্ট বেংগল এফ চিৰ মাজত কালি হায়দৰাবাদত অনুষ্ঠিত খেলখন ১-১ গলত অমীমাংসিত হৈ ৰয়। বেংগালুৰু এফ চিয়ে চেন্নাইত অনুষ্ঠিত কালিৰ আন এখন খেলত চেন্নাইয়িন এফ চিক ৪-২ গলত পৰাস্ত কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকা অনুষ্ঠানত অসম গ্ৰন্থমেলাৰ কাৰ্যসূচী সন্দৰ্ভত যুগুতোৱা অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটোৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

শ্ৰোতাসকলে বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কীয় যিকোনো অভিযোগ বা পৰামৰ্শ WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ আৰু স্থিৰ টেলিফোন নম্বৰ ০৩৬১-২৬৬০৪২৬ত দিব পাৰিব।

০০০০০

সমাপ্ত